kotak
Kotak Mahindra Bank
ক'টাক মহিন্দ্ৰ বেঙ্ক

সাধাৰণ মানুহৰ বাবে বেংকিং

01

মই বেংক একাউন্ট এটা কেনেকৈ খুলিব পাৰো ?

এইটো একেবাৰে সহজ। বেংক একাউন্ট খোলাৰ বাবে আপুনি বৰ্তমানৰ একপি ফটোৰ সৈতে 'পৰিচয় আৰু ঠিকনাৰ প্ৰমাণ' দিব লাগিব।

02

মই 'পৰিচয়ৰ প্ৰমাণ' আৰু 'ঠিকনাৰ প্ৰমাণ'ৰ বাবে কি কি নথিপত্ৰ দিব লাগিব ?

পাছপোৰ্ট, ড্ৰাইভিং লাইচেঞ্চ, ভোটাৰ আইডেন্টিটি কাৰ্ড, ইউআইডিএআই-ৰ দ্বাৰা জাৰি কৰা আধাৰ কাৰ্ড আৰু এনৰেগা কাৰ্ডৰ দৰে নথিপত্ৰসমূহৰ কোনো এখন 'পৰিচয়ৰ প্ৰমাণ' হিচাপে দিব পৰা যায়। যদি এই নথিপত্ৰসমূহত আপোনাৰ ঠিকনাও থাকে, তেন্তে ইয়াক 'পৰিচয় আৰু ঠিকনাৰ প্ৰমাণ' দুয়োটাৰ বাবে দিব পৰা যায়।

03

যদি মই চেন্নাইত থাকো, কিন্তু মোৰ ঠিকনাৰ প্ৰমাণত মোৰ নতুন দিল্লীৰ ঠিকনা থাকে, তেন্তে মই চেন্নাইত একাউন্ট খুলিব পাৰিম নে ?

নিশ্চয় আপুনি পাৰিব। আপোনাৰ নতুন দিল্লীৰ ঠিকনাৰ প্ৰমাণৰ সৈতে, যোগাযোগৰ বাবে আপুনি আপোনাৰ চেন্নাইৰ ঠিকনা দিব লাগিব।

04

পৰিচয় আৰু ঠিকনাৰ প্ৰমাণ বেংকক কিয় আৱশ্যক হয় ?

বেংক গ্ৰাহকক ভালদৰে জনাটো সুনিশ্চিত কৰাৰ বাবে, বেংক 'ন' ইয়ৰ কাষ্টমাৰ' (কেৱাইচি) আৱশ্যকীয় কৰিছে আৰু সেইবাবে বেংকক আপোনাৰ পৰিচয় আৰু ঠিকনাৰ প্ৰমাণৰ আৱশ্যক হয়।

05

যদি মোৰ হাতত মোৰ ''পৰিচয়ৰ প্ৰমাণ'' দেখুৱাৰ বাবে কোনো নথিপত্ৰ নাথাকে, তেন্তে মই কি কৰিম ? তথাপিতো মই বেংক একাউন্ট খুলিব পাৰো নেকি ?

হয়, আপুনি খুলিব পাৰে। আপুনি আপোনাৰ বৰ্তমানৰ ফটো জমা দি আৰু বেংক বিষয়াৰ সন্মুখত আপোনাৰ হস্তাক্ষৰ বা টিপচহী দি বেংক একাউন্ট খুলিব পাৰে যাক 'ক্ষুদ্ৰ একাউন্ট' বুলি কোৱা হয়। যি কি নহওঁক, এই 'ক্ষুদ্ৰ একাউন্ট'ৰ কিছুমান সীমা আছে যেনে যি কোনো সময়ত অৱশিষ্ট জমা ৰাশি 50,000 টকাতকৈ অধিক হ'ব নালাগিব, এবছৰত মুঠ ক্ৰেডিট 1,00,000 টকাতকৈ অধিক হ'ব নালাগিব আৰু এমাহত উলিওৱাৰ মুঠ পৰিমাণ 10,000 টকাতকৈ অধিক হ'ব নালাগিব।

06

মই নিবিচাৰো যে মোৰ একাউন্ট যিকোনো সীমাৰ অধীন হওক। কিন্তু যদি মোৰ হাতত পৰিচয়ৰ প্ৰমাণ দেখুৱাৰ বাবে কোনো নথিপত্ৰ নাই, তথাপিও মই বেংক একাউন্ট খুলিব পাৰো নেকি ?

হয়, তথাপিও আপুনি বেংক একাউন্ট খুলিব পাৰে, যদি আপুনি তলত উল্লেখ কৰা নথিপত্ৰৰ ভিতৰৰ কোনো এখন জমা দিয়ে আৰু বেংকে আপোনাক 'কম ক্ষতিশংকা থকা' গ্ৰাহক হিচাপে মূল্যায়ন কৰে।

(i) কেন্দ্ৰীয় / ৰাজ্য চৰকাৰৰ বিভাগসমূহ, পৰিনিয়ত / নিয়ামক কতৃপক্ষ, ৰাজহুৱা খণ্ডৰ অধীনত, শ্বিডিউল্ড কমাৰ্চিয়েল বেংকসমূহ, আৰু ৰাজহুৱা বিত্তীয় সংস্থাসমূহৰ দ্বাৰা প্ৰচাৰিত আপোনাৰ ফটো সহ পৰিচয় পত্ৰ;

বা

(ii) কোনো ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰচাৰিত পত্ৰ, য'ত আপোনাৰ প্ৰত্যয়িত ফটো থাকে।

भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA

KMBL / Aug 2023 / V 1.0